**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-04 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি এদিনীয়া কাৰ্যসূচীৰে মুম্বাইলৈ যাব।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত G-20ৰ কাৰ্যসূচিত ৰাজনৈতিক আৰু অৰ্থনৈতিক পুনৰ ভাৰসাম্যতাৰ উদাহৰণ বুলি অভিহিত কৰিছে।

৩। জম্মু কাশ্মীৰত সাহায্য আৰু পুনৰ সংস্থাপন বিভাগে জম্মু আৰু উধমপুৰৰ বিভিন্ন স্থানত কাশ্মীৰি প্ৰব্ৰজনকাৰীসকলৰ বাবে বিশেষ সজাগতা শিবিৰৰ আয়োজন কৰিছে।

৪। মণিপুৰৰ বিভিন্ন প্ৰান্তত কালি হোৱা প্ৰচণ্ড ধুমুহা আৰু শিলাবৃষ্টিৰ ফলত থাউবালৰ সাপাম লেইকেই আৰু খংজম গাঁৱৰ কেইবাটাও বাসগৃহ, ভৱন তথা বহু খেতিপথাৰ ক্ষতিগ্ৰস্ত হয়।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা বিশাখাপট্টনমৰ ৰাই এছ্ ৰাজাশেখৰ ৰেড্ডী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে চেন্নাই ছুপাৰ কিংছক ২০ ৰানত পৰাজিত কৰে। ০০০০০

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি এদিনীয়া কাৰ্যসূচীৰে মুম্বাইলৈ যাব। এই ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৯০ বছৰ উপলক্ষে আয়োজিত **RBI at 90** শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় বিত্ত আৰু কৰ্পোৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু বিত্ত ৰাজ্য মন্ত্ৰী ভাগৱত কৃষণৰাও আৰু পংকজ চৌধাৰীও এই কাৰ্যসূচীত উপস্থিত থাকিব। এই উপলক্ষে আৰ বি আইৰ গৰ্ভনৰ শক্তিকান্ত দাসেও ভাষণ দিব। উল্লেখযোগ্য যে ১৯৩৫ চনৰ পহিলা এপ্ৰিলত ভাৰতীয় ৰিজাৰ্ভ বেংক স্থাপিত হৈছিল আৰু আজি প্ৰতিষ্ঠানটোৱে ৯০ বছৰত প্ৰবেশ কৰিছে। এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্ধে, উপ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছ আৰু অজিত পাৱাৰৰ লগতে বিভিন্ন বেংক তথা উদ্যোগৰ প্ৰতিনিধিসকলেও অংশগ্ৰহণ কৰিব।

০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত G-20ৰ কাৰ্যসূচিক ৰাজনৈতিক আৰু অৰ্থনৈতিক পুনৰভাৰসাম্যতাৰ উদাহৰণ বুলি অভিহিত কৰিছে। ৰাষ্ট্ৰীয় ৰাজধানীত কালি সভ্যতা ফাউণ্ডেচনৰ দ্বাৰা আয়োজিত **দেলহি হেৰিটেজ** শীৰ্ষক কাৰ্যসূচীত ভাষণ দি ড০ জয়শংকৰে কয় যে, G-20ত আমাৰ অধ্যক্ষতা সমগ্ৰ দেশে উদযাপন কৰিছে। বিভিন্ন দিশৰ পৰা এয়া আছিল আমাৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক

পুনৰভাৰসাম্যতাৰ উদাহৰণ, য'ত বিশ্বক নেতৃত্ব দিয়া তথা প্ৰভাৱিত কৰা কেতবোৰ দেশৰ পৰিৱৰ্তে দেশৰ পৰিসৰ ব্যাপক হৈছে। এই ক্ষেত্ৰত ভাৰতৰ ভূমিকা স্পষ্টভাৱে প্ৰতিফলিত হৈছে। তেওঁ লগতে কয় যে, G-20 কাৰ্যসূচীক ৰাজনৈতিক আৰু অৰ্থনৈতিক পুনৰ ভাৰসাম্যতাৰ পিছত বৰ্তমান সাংস্কৃতিক পুনৰ ভাৰসাম্যতাত গুৰুত্ব দিয়া হৈছে।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া কাৰ্যসূচীৰে ৰাজস্থানলৈ গৈছে। কালি শ্ৰীশ্বাহে ৰাজ্যখনত দুটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ সৈতে সংগতি ৰাখি জয়পুৰত এখন সাংগঠনিক বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত তেওঁ ডাউচা, কাৰাউলি-ধোলপুৰ, নাগৌৰ, চুৰু আৰু ঝুনঝুনু এই পাঁচটা লোকসভা সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে বুজ লয়। বৈঠকত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি চি পি যোশী, প্ৰাক্তন বিৰোধী নেতা ৰাজেন্দ্ৰ ৰাথোড় আৰু অন্যান্য নেতাসকল উপস্থিত থাকে। সন্ধিয়াৰ ভাগলৈ শ্ৰীশ্বাহে চিকাৰত এটা ৰোড শ্ব'তো অংশগ্ৰহণ কৰে। গৃহমন্ত্ৰীগৰাকী আজি জোধপুৰলৈ যাব আৰু তাত তেওঁ জোধপুৰ, পালি, জালোড়-চিৰোহী আৰু বাৰমেড় লোকসভা আসনকেইখনৰ নেতাসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০

উত্তৰ প্ৰদেশত সমাগত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ বাবে কংগ্ৰেছে দলে তাৰকা প্ৰচাৰকসকলৰ এখন তালিকা প্ৰকাশ কৰিছে। দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, জ্যেষ্ঠ নেতা ছোনিয়া গান্ধী, ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী ভদ্ৰা, ডি কে শিৱকুমাৰ, দিগ্বিজয় সিং, শচীন পাইলট আৰু অন্যান্য সকলৰ নাম এই তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ লগতে জম্মু-কাশ্মীৰৰ বাবেও দলে তাৰকা প্ৰচাৰকসকলৰ তালিকা প্ৰকাশ কৰিছে।

০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কালি নতুন দিল্লীত কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটীৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষ ছোনিয়া গান্ধী, কে চি বেনুগোপাল আৰু অন্যান্য জ্যেষ্ঠ নেতাসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। বিহাৰৰ জ্যেষ্ঠ কংগ্ৰেছ নেতাসকলো এই বৈঠকত উপস্থিত থাকে।

০০০০০

ভাৰতৰ নিৰ্বাচন আয়োগে নিৰ্বাচনৰ সময়ছোৱাত নিৰ্বাচনী আচৰণ বিধি ভংগ কৰা যিকোনো বিষয় আয়োগৰ দৃষ্টিগোচৰ কৰোৱাৰ উদ্দেশ্যে নাগৰিকসকলৰ বাবে এটা অনলাইন এপ্লিকেশ্বন মুকলি কৰিছে। চি ভিজিল নামৰ এই এপ্লিকেশ্বনটোৰ জৰিয়তে মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত দেশৰ নাগৰিকসকলে সক্ৰিয় আৰু দায়িত্বশীল ভূমিকা পালন কৰিব পাৰিব। এই সৃষ্টিশীল এপ্লিকেশ্বনটোৰ জৰিয়তে নাগৰিকসকলে নিৰ্বাচনী আচৰণ বিধি ভংগ কৰিব পৰা যিকোনো বিষয় দৃষ্টিগোচৰ হোৱা মাত্ৰেই আয়োগক অৱগত কৰিব পাৰিব। এনেধৰণৰ বিষয় এটা চি ভিজিলৰ জৰিয়তে আয়োগৰ দৃষ্টিগোচৰ হোৱাৰ লগে লগে বিষয়টো অনুসন্ধানৰ বাবে ফ্লায়িং স্কোৱাডলৈ আগবঢ়াই দিয়া হ'ব। নাগৰিকসকলে এতিয়া আৰু নিৰ্বাচনী আচৰণ বিধি ভংগৰ অভিযোগ লৈ সংশ্লিষ্ট সমষ্টিৰ ৰিটাৰ্ণিং বিষয়াৰ ওচৰলৈ যোৱাৰ প্ৰয়োজন নহ'ব।

০০০০০

জম্মু কাশ্মীৰত সাহায্য আৰু পুনৰ সংস্থাপন বিভাগে জম্মু আৰু উধমপুৰৰ বিভিন্ন স্থানত কাশ্মীৰি প্ৰব্ৰজনকাৰীসকলৰ বাবে বিশেষ সজাগতা শিবিৰৰ আয়োজন কৰিছে। ১২ চি তথা এম প্ৰ-পত্ৰসমূহৰ থলিতে প্ৰত্যায়নৰ লগতে প্ৰব্ৰজনকাৰীসকলৰ মাজত ভোটদানৰ আঁচনি সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই সজাগতা শিবিৰসমূহৰ আয়োজন কৰা হৈছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি অহা ৩ এপ্ৰিলৰ পৰা ৭ এপ্ৰিললৈ নাগ্ৰোতাত এনেধৰণৰ প্ৰথমটো শিবিৰ আৰু ৪ এপ্ৰিলৰ পৰা ৭ এপ্ৰিললৈ জাগতিক পৰৱৰ্তী শিবিৰৰ আয়োজন কৰা হৈছে। তদুপৰি শিৰমন্দিৰৰ পুৰুখো শিবিৰত অহা ৪ এপ্ৰিলৰ পৰা ৭ এপ্ৰিললৈ আৰু উধমপুৰৰ এম এছ চ'কৰ চাৰিকামাতা মন্দিৰত ৪ এপ্ৰিলৰ পৰা ১০ এপ্ৰিললৈ বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে। বহৰীৰ সঞ্জীৱনী চৰ্দা কেন্দ্ৰত ১০ৰ পৰা ১৩ এপ্ৰিললৈ আৰু দুৰ্গানগৰৰ সমাজ সুধাৰ জংগ ঘৰত ১৩ৰ পৰা ১৪ এপ্ৰিললৈ এনেধৰণৰ শিবিৰৰ আয়োজন কৰা হৈছে।

০০০০০

মণিপুৰৰ বিভিন্ন প্ৰান্তত কালি হোৱা প্ৰচণ্ড ধুমুহা আৰু শিলাবৃষ্টি হোৱাৰ ফলত থাউবালৰ সাপাম লেইকেই আৰু খংজম গাঁৱৰ কেইবাটাও বাসগৃহ, ভৱন তথা বহু খেতিপথাৰ ক্ষতিগ্ৰস্ত হয়। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত হোৱা মুষলধাৰ বৰষুণৰ ফলত অঞ্চলটোৰ আন্তঃগাঁথনি ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছে। গুৱাহাটী বিমানবন্দৰৰ মূধুচৰ এটা অংশ কালি বৰষুণৰ ফলত ভাঙি পৰে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৪ এপ্ৰিললৈ অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহত বিজুলী-ঢেৰেকণিৰে মজলীয়াৰ পৰা মুষলধাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০

আকাশবাণীৰ দ্বিভাষিক অনুষ্ঠান প্লাবিক স্পীকত আজি নিশা চাৰে ৯ বজাত **Ease of Filing Income Tax Return** অৰ্থাৎ আয়কৰ ৰিটাৰ্ণ প্ৰক্ৰিয়াৰ সৰলীকৰণ সন্দৰ্ভত আয়কৰ আয়ুক্ত ধৰমবীৰ সিঙৰ সৈতে এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাটি চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই **০১১-২৩৪২১০৫০** আৰু **০১১-২৩৩১৪৪৪৪** নম্বৰলৈ ফোন কৰি আয়কৰ ৰিটাৰ্ণ দাখিল প্ৰক্ৰিয়াৰ লগতে পুৰণি আৰু নতুন কৰ ব্যৱস্থাৰ বিভিন্ন দিশ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। ইয়াৰ উপৰি শ্ৰোতাসকলে **৯২৮৯০-৯৪০৪৪** নম্বৰত হোৱাটছআপৰ জৰিয়তেও প্ৰশ্ন কৰিব পাৰিব। অনুষ্ঠানটি আকাশবাণীৰ গ'ল্ড আৰু অতিৰিক্ত ফ্ৰিকুৱেঞ্চিসমূহত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ইয়াৰ উপৰি আকাশবাণীৰ ৱেবচাইট newsonair.gov.in আৰু আমাৰ ইউটিউব চেনেল News ON AIR OFFICIALটো এই অনুষ্ঠান উপলব্ধ হ'ব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা বিশাখাপট্টনমৰ ৱাই এছ ৰাজাশেখৰ ৰেড্ডী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে চেন্নাই ছুপাৰ কিংছক ২০ ৰানত পৰাজিত কৰে। দেলহি কেপিটেলছে নিৰ্ধাৰণ কৰি দিয়া ১৯২ ৰানৰ লক্ষ্যৰে খেলিবলৈ লোৱা চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭০ ৰানহে কৰিবলৈ সক্ষম হয়। চেন্নাই ছুপাৰ কিংছৰ হৈ আজিংক্য ৰাহানেই সৰ্বাধিক

৪৫ ৰান কৰাৰ বিপৰীতে এম এছ্ ধোনীয়ে ৩৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। দেলহি কেপিটেলছ্ৰ হৈ মুকেশ কুমাৰে ৩টা উইকেট দখল কৰাৰ বিপৰীতে খলিল আহমেদে ৪ অভাৰত ২১ ৰান দি ২টা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে দেলহি কেপিটেলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। দলৰ হৈ ডেভিদ ৱাৰ্নাৰে সৰ্বাধিক ৫২ ৰান কৰাৰ লগতে অধিনায়ক ঋষভ পন্টে ৫১ ৰান কৰে। চেন্নাইৰ হৈ মাথিছা পাথিৰানাই ৩টা উইকেট লাভ কৰে। খলিল আহমেদক প্লেয়াৰ অব্য দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ্, ৰাজস্থান ৰয়েলছ্ৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

পাকিস্তানৰ খাইবাৰ পাখটুনখোৱা প্ৰদেশৰ বিভিন্ন অংশত বৰ্ষাজনিত ঘটনাত ৮টি শিশুকে ধৰি কমেও ১০ জন লোকে প্ৰাণ হেৰুৱাৰ লগতে ১২ জন লোক আঘাতপ্ৰাপ্ত হৈছে। প্ৰাদেশিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি পেচাৱাৰ, নাউশ্বেৰা, বাজাউৰ, শ্বাংলা, মানশ্বেৰা, বান্নু, মহমন্দ, মৰ্দান আৰু উত্তৰ ৱাজেৰিস্তানত তিনিটা বাসগৃহ সম্পূৰ্ণৰূপে ধ্বংস হোৱাৰ লগতে ২৪টা আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে। খাইবাৰ পাখটুনখোৱাৰ মুখ্যমন্ত্ৰী আলী আমিন গাণ্ডাপুৰে শেহতীয়া বৰষুণত হোৱা ক্ষয়-ক্ষতিৰ লগতে জীৱন আৰু সম্পত্তি হেৰুওৱা ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে আৰু ক্ষতিগ্ৰস্তসকলক শীঘ্ৰেই ক্ষতিপূৰণ প্ৰদানৰ প্ৰতিশ্ৰুতি দিছে। তেওঁ লগতে শেহতীয়াকৈ বৰ্ষাজনিত ঘটনাত প্ৰদেশখনত হোৱা ক্ষয় ক্ষতি সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিছে।

ooooo

সমাপ্ত